জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫২/২০২১

# ঐতিহাসিক বড়ো শান্তি চুক্তিৰ প্ৰথম বৰ্ষপূৰ্তি উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিলে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## বড়ো ভূমিত এতিয়া হিংসা আৰু অস্থিৰতাৰ যুগ সমাপ্ত হৈ শান্তি আৰু উন্নয়নৰ যুগ আৰম্ভ হৈছে ঃ অমিত শ্বাহ

## বিটিআৰ চুক্তিৰ প্ৰতিটো দফা এটা এটাকৈ ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ জানুৱাৰী ঃ** ‘বড়ো ভূমিত এতিয়া হিংসা আৰু অস্থিৰতাৰ যুগ সমাপ্ত হৈ শান্তি আৰু উন্নয়নৰ যুগ আৰম্ভ হৈছে। বহু হাজাৰ লোকৰ প্ৰাণ লোৱা হিংসাত্মক পৰিৱেশৰ অৱসান ঘটি এক শান্তিৰ পৰিৱেশৰ সূচনা হৈছে। ঐতিহাসিক বড়ো শান্তি চুক্তিয়ে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মকে ধৰি বড়ো জাতিৰ স্বাধিকাৰ ৰক্ষাৰ সংগ্ৰামত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা মহান ব্যক্তিসকলৰ সপোন বাস্তৱায়িত হোৱাৰ পথ প্ৰশস্ত কৰিছে।’ আজি কোকৰাঝাৰ বডোফা নগৰৰ গ্ৰীণ ফিল্ডত আয়োজিত বিটিআৰ চুক্তিৰ প্ৰথম বৰ্ষপূৰ্তি উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এইদৰে কয়। এই অনুষ্ঠানতে কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে বিটিচিৰ বাবে ডিজিটেল অফিচ মেনেজমেণ্ট চিষ্টেমৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ লগতে কেইবাখনো আঁচনিৰ আধাৰশিলাও স্থাপন কৰে। এই আঁচনিসমূহ হৈছে কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱত বড়োলেণ্ড গ্ৰামোন্নয়ন প্ৰতিষ্ঠান, কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাত পলিটেকনিক আৰু বৃত্তিমুখী প্ৰশিক্ষণ প্ৰতিষ্ঠান, কুমাৰীকাটাত বাথৌ হাৰিমাফুৰী, ভেৰগাঁৱত খেৰাইচালি চেণ্টাৰ ফ’ৰ বড়ো আৰ্ট এণ্ড কালচাৰ ৱিথ ট্ৰাইবেল আৰ্ট গেলাৰী কাম মিউজিয়াম, চিৰাঙত গোৰ্খা ভৱন, দতমাৰ থুলুংগাপুৰীত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নামত সাংস্কৃতিক প্ৰকল্প আৰু উৎকৰ্ষতাৰ কেন্দ্ৰ আৰু বাক্সা জিলাৰ তামুলপুৰত এখন নতুন চিকিৎসা মহাবিদ্যালয়। অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বড়ো সংগ্ৰামৰ কেইবাটাও শ্বহীদ পৰিয়ালক ৫ লাখ টকাৰ আৰ্থিক সাহায্যৰ চেকো প্ৰদান কৰে।

প্ৰায় ১ লক্ষাধিক লোকৰ উপস্থিতিত আয়োজিত এই বিশাল জনসভা সম্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে তেওঁৰ জীৱনত বহুতো বৃহৎ জনসমাৰেশত অংশগ্ৰহণ কৰিছে যদিও আজিৰ এই সমাৰেশত অংশগ্ৰহণ কৰি বিশেষ আনন্দ অনুভৱ কৰিছে। দীৰ্ঘদিনীয়া এক অস্থিৰতাৰ অৱসান ঘটাই

আজি এটা বছৰ পূৰ্বে স্বাক্ষৰিত বড়ো শান্তি চুক্তিয়ে এই অঞ্চলৰ ৰাইজক যি আনন্দ প্ৰদান কৰিছে সেয়া আজি প্ৰতিফলিত হৈছে। বড়ো, অবড়ো আদি প্ৰতিটো জনগোষ্ঠীৰ লোকেই স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰা এই সমাৱেশে বড়োলেণ্ড অঞ্চললৈ অহা পৰিৱৰ্তনৰ কথা প্ৰমাণ কৰিছে। তেওঁ কয় যে বড়ো-অবড়ো সকলো অসম তথা ভাৰতবাসীৰে সন্তান। সকলোকে লগত লৈ দেশ তথা অসমক বিকাশৰ পথলৈ লৈ যাব লাগিব। অসমত যিসকলে অশান্তি বিয়পাইছে এই সভা তাৰ উত্তৰ। কেন্দ্ৰীয় গৃহ মন্ত্ৰী গৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ মাৰ্গ দৰ্শনৰ ফলত  এতিয়া বড়ো এলেকা বিকাশৰ দিশে আগবাঢ়িছে। মোদীৰ প্ৰতিনিধি আৰু গৃহমন্ত্ৰী হিচাপে তেওঁ এই আশ্বাস প্ৰদান কৰিবলৈ আহিছে যে বড়োলেণ্ড অঞ্চলত আগন্তুক দিনত অসমৰ ভিতৰতে বিকশিত অঞ্চল হিচাপে গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সহযোগিতা আগবঢ়াই যাব।

এই অঞ্চলত শান্তি প্ৰতিষ্ঠাৰ বাবে কংগ্ৰেছ দলটোৱে সুদীৰ্ঘ কালধৰি কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাছিল কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে আলাপ-আলোচনাৰ জৰিয়তে অঞ্চলটোৰ উগ্ৰপন্থী সমস্যা সমাধান কৰি সকলোকে মূলসুঁতিলৈ ঘূৰাই অনাৰ জৰিয়তে হিংসাৰ সেই পৰিৱেশৰ অৱসান ঘটালে। কংগ্ৰেছ দলটোৱেও পূৰ্বতে বিভিন্ন চুক্তি স্বাক্ষৰ কৰিছিল যদিও কোনো এখন চুক্তিকেই বাস্তৱায়িত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা নাছিল। কিন্তু নৰেন্দ্ৰ মোদীৰ চৰকাৰে যি চুক্তি স্বাক্ষৰ কৰে তাক নিজৰ কাৰ্যকালৰ ভিতৰতে ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰে। বড়ো শান্তি চুক্তিৰো প্ৰতিটো দফা ৰূপায়ণৰ বাবে ভাৰত চৰকাৰে ৰাজ্য চৰকাৰৰ সহযোগত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। উত্তৰ-পূৰ্বাঞ্চলৰ  বিকাশৰ বাবে প্ৰধানমন্ত্ৰীৰ যি ভৱিষ্য দৰ্শন, এই চুক্তি তাৰে এক অংশ বুলি উল্লেখ কৰি তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদ সমস্যা সমাধানৰ পদক্ষেপ বিটিআৰ চুক্তিৰ মাধ্যমেৰে আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সন্মুখতে সাত শতাধিক উগ্ৰপন্থীয়ে অস্ত্ৰ সম্বৰণ কৰি শান্তিৰ প্ৰক্ৰিয়াত জড়িত হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে যি নতুন আৰু আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ কল্পান কৰিছে সেয়া নতুন বড়োলেণ্ড তথা আত্মনিৰ্ভৰশীল বড়োলেণ্ডৰ মাজেৰে আৰু অধিক ত্বৰান্বিত হৈ পৰিছে।

বড়ো জাতিৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক অধিকাৰ সুৰক্ষিতকৰণৰ লগতে ভাষা-সংস্কৃতিৰ সুৰক্ষা আৰু সংৱৰ্দ্ধনৰ বাবে কেন্দ্ৰীয় চৰকাৰ দায়বদ্ধ বুলি উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিৰ আধাৰত অঞ্চলটোৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰে সম উন্নয়নৰ বাবে চৰকাৰে কাম কৰিছে। সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ বিগত ৫ বছৰীয়া শাসনকালত ৰাজ্যখনত যি উন্নয়ন সম্ভৱ হ'ল সেৰা পূৰ্বৰ ৭০ বছৰতো সম্ভৱ হোৱা নাছিল বুলি মন্তব্য কৰি তেওঁ অসম চৰকাৰে দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, প্ৰদূষণমুক্ত আৰু সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ কথা বিশেষভাৱে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত কালি ৰাজ্যৰ লক্ষাধিক খিলঞ্জীয়া পৰিয়াললৈ ভূমি পট্টা বিতৰণৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয় যে প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচিৰ নতুন চৰকাৰখনেও কালিৰে পৰা অঞ্চলটোৰ বাসিন্দাসকলক মাটিৰ পট্টা প্ৰদানৰ পদক্ষেপ আৰম্ভ কৰি অঞ্চলটোৰ এক দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ কাম আৰম্ভ কৰিছে। নিজৰ ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰো ভূয়সী প্ৰশংসা কৰে।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাংগীন বিকাশৰ বাবে এনডিএ চৰকাৰ সদায়ে বদ্ধপৰিকৰ বুলি উল্লেখ কৰি তেওঁ কয় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি থকা সদিচ্ছাৰ বাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ছয়টা বছৰত চল্লিশ বাৰতকৈও অধিক এই অঞ্চল ভ্ৰমণ কৰিছে। এই প্ৰসংগত তেওঁ অসমৰ আন্তঃগাঁথনি আৰু আৰ্থ-সামাজিক বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে।

সমাৰেশত উপস্থিত জনতাক বড়ো ভাষাতে সম্বোধন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঐতিহাসিক বড়ো শান্তি চুক্তিৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে অঞ্চলটোৰ ৰাইজলৈ অভিনন্দন জ্ঞাপন কৰে। শান্তিৰ অবিহনে প্ৰগতি কেতিয়াও সম্ভৱ নহয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহ মন্ত্ৰী অমিত শ্বাহৰ বিশেষ তৎপৰতাত বিটিআৰ চুক্তি স্বাক্ষৰৰ জৰিয়তে অঞ্চলটোত তিনি দশক জোৰা অস্থিৰতাৰ অৱসানৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া ৰাইজে সদায়ে মনত ৰাখিব। বিটিচি অঞ্চলৰ ৰাইজে কঠোৰ পৰিশ্ৰমেৰে এখন আত্মনিৰ্ভৰশীল অসম আৰু আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ দিশত উল্লেখযোগ্য বৰঙনি আগবঢ়াই আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে আমি সকলোৱে একেলগে কাম কৰিব লাগিব। বিটিআৰ চুক্তিৰ দ্ৰুত ৰূপায়ণৰ বাবে অসম চৰকাৰে এটা এটাকৈ সকলো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে কেন্দ্ৰ আৰু ৰাজ্য দুয়োখন চৰকাৰে প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচিৰ পৰিষদীয় চৰকাৰক সকলো সময়তে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াই যাব। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে মূলসুঁতিলৈ ঘূৰি অহা বড়ো উগ্ৰপন্থীসকলৰ আত্ম সংস্থাপনৰ বাবে চাৰি লাখ টকাৰ আৰ্থিক অনুদান, বিটিচিৰ বাহিৰৰ বড়োসকলৰ বাবে বড়ো-কছাৰী কল্যাণ স্বায়ত্ত শাসিত পৰিষদ গঠন, বড়ো ভাষাক অসমৰ সহযোগী ৰাজ্যিক ভাষাৰ মৰ্যাদা প্ৰদান, বড়ো মাধ্যমৰ শিক্ষানুষ্ঠানৰ বাবে সুকীয়া সঞ্চালকালয় স্থাপন আদি বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। বিটিচি অঞ্চলৰ জিলা কেইখনৰ উপায়ুক্তসকলক পৰিষদীয় চৰকাৰৰ অধীনলৈ অনাৰ জৰিয়তে এতিয়া এই অঞ্চলৰ ৰাইজে নিজ নিজ জিলাতে মাটিৰ পট্টা লাভ কৰিবলৈ সক্ষম হ'ব তেওঁ উল্লেখ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যৰ শিক্ষা, স্বাস্থ্য, লোক নিৰ্মাণ, বিত্ত আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিটিআৰ চুক্তিৰ প্ৰথম বৰ্ষপূৰ্তিৰ এই দিনটোত প্ৰাপ্তি আৰু আনন্দৰ দিন বুলি অভিহিত কৰে। বিটিআৰ চুক্তিৰ প্ৰতিটো দফা এটা এটাকৈ ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি উল্লেখ কৰি অঞ্চলটোৰ পথ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে কালি ৫০০ কোটি টকাৰ পেকেজ ঘোষণা কৰাৰ কথা অৱগত কৰে। সেইদৰে বাক্সা আৰু চিৰাঙত নতুন মেডিকেল কলেজ, ওদালগুৰিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ নতুন চৌহদ স্থাপন, তামোলপুৰত পাগলাদিয়া নদীৰ ওপৰত নতুন দলং নিৰ্মাণ আদি পদক্ষেপৰ কথাও উল্লেখ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় যে এসময়ত বড়ো ৰাইজে যথেষ্ট কষ্টৰে দিন অতিবাহিত কৰিবলগীয়া হৈছিল। বিটিআৰ চুক্তিয়ে এই অঞ্চলৰ অনিশ্চয়তাৰ পৰিৱেশৰ অৱসান ঘটাই শান্তি আৰু সমন্বয়ৰ এক পৰিৱেশৰ সৃষ্টি কৰিলে। বড়ো ভূমিক শান্তিৰ ভূমি হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিগত স্বাৰ্থৰ বাবে কাম নকৰি

আমি অঞ্চলটোৰ বৃহত্তৰ স্বাৰ্থৰ বাবে কাম কৰিব লাগিব। বিটিআৰ চুক্তিৰ ৰূপায়ণ দ্ৰুততাৰে আগবঢ়াব কথা জানিবলৈ দি তেওঁ এই অঞ্চলত এতিয়াও বাজেয়াপ্ত নকৰা অবৈধ অস্ত্ৰসমূহ শীঘ্ৰে বাজেয়াপ্ত কৰাৰ ব্যৱস্থা কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰতি আহ্বান জনায়।

বিটিচিৰ প্ৰধান সচিব সিদ্ধাৰ্থ সিঙে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত সাংসদ নৱ কুমাৰ শৰণীয়া আৰু পল্লৱ লোচন দাস, হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, বিধায়ক অশোক সিংঘাল, বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰী, প্ৰাক্তন সাংসদ বিশ্বজিৎ দৈমাৰী আৰু উৰ্খাও গৌৰা ব্ৰহ্ম, প্ৰাক্তন সাংসদ বৈজয়ন্ত জয় পাণ্ডা, মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন বড়োৰ লগতে বিটিচিৰ সদস্য আৰু কৰ্মকৰ্তাসকল তথা প্ৰশাসনৰ বিষয়ববীয়াসকল আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**২৪/০১/২০২১**